**1 (Sem–5/FYUGP) ASS 42 MJ**

**2025**

ASSAMESE

( Major )

Paper : ASS0500204

[ অসমীয়া গদ্য সাহিত্য (আৰম্ভণিৰ পৰা ২০০০ খ্ৰীষ্টাব্দলৈ) ]

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা : ১×৮=৮

(ক) 'অসমীয়া কথাসাহিত্য' গ্ৰন্থখনৰ লিখক কোন?

(খ) ৰুক্মিণীয়ে পত্ৰৰ মাজত 'শৃগাল' শব্দটোৰে কাক বুজাইছে?

(গ) সুবাহুৰ পুত্ৰৰ নাম কি আছিল?

(ঘ) 'গুৰু সেৱা মাহাত্ম্য' পাঠত থকা 'কোবিদ' শব্দৰ অৰ্থ লিখা।

(ঙ) 'ৰামৰ বন-গমন' পাঠটো 'কথা ৰামায়ণ'ৰ কোনটো কাণ্ডৰ অন্তৰ্গত?

(চ) 'সদানন্দৰ কলাঘুমটি' প্ৰবন্ধটো প্ৰথমতে কোনখন কাকতত প্ৰকাশ পাইছিল?

(ছ) 'বুৰঞ্জী বিবেক ৰত্ন' গ্ৰন্থৰ ৰচক কোন?

(জ) বিশ্বনাথ চক্ৰৱৰ্তীৰ প্ৰসিদ্ধ অলংকাৰ গ্ৰন্থখনৰ নাম কি?

২। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ২×৬=১২

(ক) ''আহে নাগিনি তোহাক বস্তয়ে নান্টল : কোন ছাৰ কলসা ভাঙ্গল : হামাৰ ঘৰে দধি দুগ্ধ লৱণু কে পুছত :''—কথাষাৰ কোনে, কাক কৈছে?

(খ) ত্ৰিপুৰা বুৰঞ্জীত উল্লেখ কৰা অনুসৰি ৰজাই মোট খেলিবলৈ কি নদীৰ পাৰলৈ গৈছিল আৰু তাৰ পৰা উভতি আহি ঘৰত কোন দেৱতাক উপাসনা কৰিছিল?

(গ) ''তোৰ আমি কিছু অপ্ৰিয় নতু কৰো। তথাপি গোবিন্দৰ কটাক্ষে ভিন্ন হৃদয়ত কেনে কাম জালস।'' কথাষাৰ কোনে, কাক উদ্দেশ্যি কৈছে?

(ঘ) ''যদি বোলা ভকত হেন কেমনে জানিম, তেৱে তাৰ চিহ্ন শুনা''—পাঠত ভকতৰ চিন কি বুলি কোৱা হৈছে?

(ঙ) 'শত্ৰুঞ্জয়' কাব্যখন কাৰ ৰচনা? কাব্যখনৰ বিষয়বস্তুৰ মূল উৎস কি?





(চ) ''আততায়ীৰ বধে কিছু দোষ নাহি''—এই বাক্যফাঁকি কোনটো পাঠৰ অন্তৰ্গত আৰু কথাষাৰৰ বক্তা কোন?

(ছ) চামধৰা গড়ৰ ফলি পোনপ্ৰথমে কোনে উদ্ধাৰ কৰি, কোনখন কাকতত প্ৰকাশ কৰিছিল?

(জ) নগঞা বিদ্ৰোহী লোকসকলে ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰোঁতে ব্যৱহাৰ কৰা দুবিধ অস্ত্ৰৰ নাম লিখা।

(ঝ) সদানন্দই ন মাহ কোনখন ইংৰাজী বাতৰি-কাকত আৰু চৌধ বছৰ কোনখন অসমীয়া বাতৰি-কাকত পঢ়িছিল?

(ঞ) সঞ্চাৰী ভাব কি? যি কোনো এটি সঞ্চাৰী ভাবৰ উদাহৰণ দিয়া।

৩। তলৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা : ৫×৪=২০

(ক) অংকীয়া নাটৰ গদ্য

(খ) গোপালচৰণ দ্বিজ

(গ) ত্ৰিপুৰা বুৰঞ্জীৰ গদ্যশৈলী

(ঘ) অসমীয়া গদ্য-সাহিত্যত 'কথা ৰামায়ণ'ৰ গুৰুত্ব

(ঙ) মন্ত্ৰ সাহিত্যৰ ভাষা

(চ) নিধিলিবাই ফাৰৱেল

(ছ) লম্বোদৰ বৰা

(জ) সাহিত্যৰ নৱৰস

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) ভট্টদেৱৰ গদ্যৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰা।

(খ) 'ৰামৰ বন-গমন' পাঠৰ আধাৰত ৰাম আৰু লক্ষ্মণৰ চৰিত্ৰ দুটিৰ বিশ্লেষণ কৰা।

(গ) 'নগঞা দ্ৰোহী লোকৰ চৰিত্ৰ বৰ্ণন' পাঠৰ আধাৰত অৰুণোদয় যুগৰ গদ্যৰীতি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(ঘ) তোমাৰ পাঠত সত্ৰাধিকাৰৰ অভিষেক উৎসৱৰ বিৱৰণ কিদৰে দাঙি ধৰা হৈছে, বৰ্ণনা কৰা।

(ঙ) "ভগবান কৃষ্ণৰ প্ৰতি ভক্তৰ ৰতি পাঁচভাবে প্ৰকাশ পায়"—এই প্ৰকাৰসমূহৰ বিশদ বিৱৰণ দাঙি ধৰা।

★★★